# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-06-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰে এইবছৰৰ বিষ্ণুৰাভা দিৱসৰ সৈতে সংগতি ৰাখি কেইবাগৰাকীও খ্যাতিমান ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। অহা ২০ জুনত নলবাৰীত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। এই অনুসৰি বিষ্ণুৰাভা দিৱসৰ দিনা প্ৰদান কৰিবলগীয়া ৩টা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড০ থানেশ্বৰ শৰ্মালৈ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ কালীচৰণ ব্ৰহ্ম বঁটা আৰু সিন্দূৰ অভিযানত শ্বহিদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংখামলৈ বীৰ চিলাৰায় বঁটা আগবঢ়োৱা হ'ব। একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয় নৃত্য শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীলৈ বিষ্ণু ৰাভা বঁটা আগবঢ়োৱা হ'ব। সত্ৰীয় সংস্কৃতিক বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আগববঢ়োৱা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰি বঁটা প্ৰাপক আটাইকেইগৰাকী কৃতিমান ব্যক্তিক অভিনন্দন জ্ঞাপন কৰে।

০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি চিটী কলেজৰ প্ৰেক্ষাগৃহত আয়োজিত সংশোধিত আইন ব্যৱস্থা সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ কৰ্মশালা উদ্বোধন কৰে। ধেমাজি জিলা সাংবাদিক সংস্থাৰ উদ্যোগত ধেমাজি চিটী কলেজৰ আতিথ্যত আয়োজিত কৰ্মশালাখনত সংশোধিত আইন ব্যৱস্থাৰ ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মৰ সন্দৰ্ভত আলোচনা হয়। কৰ্মশালাখনে জিলাখনত আইনী সজাগতাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কৰ্মশালাখনত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বিজন মহাজনে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি সংশোধিত আইন ব্যৱস্থা সন্দৰ্ভত আলোচনা আগবঢ়ায়।

০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি লোক আদালতৰ জৰিয়তে বিচৰাধীন ভালেসংখ্যক গোচৰ নিষ্পত্তি কৰা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত অনুষ্ঠিত দ্বিতীয় ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে জিলাখনত অমীমাংসিত ৬৬৫ টা গোচৰৰ ভিতৰত ২০১ টা গোচৰ নিষ্পত্তি কৰা হৈছে। ইয়াৰে অসম শক্তি বিতৰণ

কোম্পানী লিমিটেড আৰু বেংক ঋণৰ ১৩৪ টা গোচৰ মীমাংসা কৰা হয়। জিলাখনৰ লোক আদালতৰ জৰিয়তে ২৯ লাখ ২৯ হাজাৰ ৬৯১ কোটি টকা সংগ্ৰহ কৰা হৈছে বুলি জিলা আৰু চেছন ন্যায়াধীশ সঞ্জয় হাজৰিকাই প্ৰকাশ কৰিছে।

বিশ্বনাথ জিলাতো আজি জিলা আইন সেৱা প্ৰাধীকাৰীৰ উদ্যোগত জিলাখনৰ ন্যায়িক আদালত চৌহদত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। এই আদালতত আপোচযোগ্য, বিভিন্ন ফৌজদাৰী গোচৰ, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, মটৰ দুৰ্ঘটনা দাবী গোচৰ, চেক বাউঞ্চকে ধৰি ভালেমান গোচৰ নিষ্পত্তি কৰা হয়। এই আদালতত মুঠ এহেজাৰ ৫৩৮ টা গোচৰ নিষ্পত্তি কৰা হ'ব। ইয়াৰ ভিতৰত বেংক ঋণ আদায়ৰ সৰ্বাধিক ৭৮১ টা গোচৰ আৰু বিদ্যুৎ মাছুল সম্পৰ্কীয় ৬৯৫ টা গোচৰ আছে।

০০০০

সদৌ অসম আৰক্ষী সন্থাৰ দ্বিবাৰ্ষিক অধিবেশন আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মৰিগাঁওত অনুষ্ঠিত হৈছে। এই উপলক্ষে জিলা আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত নৱ প্ৰজন্মৰ উশৃংখলতা, অভিভাৱকৰ দায়িত্ব আৰু আৰক্ষীৰ ভূমিকা শীৰ্ষক বিষয়ত আলোচনা কৰা হয়। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মা, অসম আৰক্ষীৰ প্ৰশাসনিক শাখাৰ সহকাৰী মহাপৰিদৰ্শক প্ৰণৱজ্যোতি গোস্বামীৰ উপৰি ভালেসংখ্যক আৰক্ষী বিষয়াই অংশগ্ৰহণ কৰে।

০০০০

একাদশ আন্তৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে বজালী জিলা প্ৰশাসনৰ উদ্যোগত আজি পাঠশালাৰ আজাদ ভৱনত এখন জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতা উদ্বোধন কৰি জিলাখনৰ সহকাৰী আয়ুক্ত আছফাক লস্কৰে কয় যে সুস্থ আৰু সুষম জীৱনশৈলী বৰ্তাই ৰখাৰ ক্ষেত্ৰত যোগাভ্যাসৰ গুৰুত্ব অপৰিসীম। আয়ুষৰ জিলা সমন্বয়ক ডাঃ জয়ন্ত খাটনিয়াৰ আৰু জিলা প্ৰশাসনৰ পৰা টুটুল মানৱৰ নেতৃত্বত অনুষ্ঠিত এই প্ৰতিযোগিতাত কেইবাগৰাকীও প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অহা ২১ জুনত বজালী জিলা আয়ুক্ত কাৰ্যালয় চৌহদত হ'বলগীয়া যোগ দিৱসৰ অনুষ্ঠানত প্ৰতিটো শাখাৰ বিজয়ীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব।

০০০০

ধুবুৰীত গো-মাংসকেন্দ্ৰিক ঘটনাৰ বাবে আৰক্ষীয়ে যোৱা নিশা সমগ্ৰ জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই ৩৮জন লোকক আটক কৰিছে। মুখ্যমন্ত্ৰীয়ে ধুবুৰীৰ ঘটনা নিয়ন্ত্ৰণৰ বাবে কালি আৰক্ষীক কঠোৰ হ'বলৈ আহ্বান জনাই জিলাখনৰ সকলো দাগী অপৰাধীকো গ্ৰেপ্তাৰ কৰাৰ বাবে নিৰ্দেশ দিছিল। জিলাখনত যোৱা কেইবামাহ মান ধৰি পশ্চিমবংগৰ পৰা দৈনিক গোপন পথেৰে নিষিদ্ধ গো-মাংস কঢ়িয়াই অনাৰ তথ্য প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এনে গো-মাংস সৰবৰাহকাৰীৰ বিৰুদ্ধে অনুসন্ধান কৰি গ্ৰেপ্তাৰ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিছিল। উল্লেখযোগ্য যে ধুবুৰীৰ আৰক্ষী অধীক্ষক হিচাপে কালি লীনা দলেক দায়িত্ব প্ৰদান কৰা হৈছিল। দায়িত্ব গ্ৰহণ কৰিয়েই আৰক্ষী অধীক্ষকগৰাকীয়ে জিলাখনৰ ভিন্ন প্ৰান্তত অভিযান চলায়। আনহাতে, কালি নিশা ধুবুৰী চহৰত আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিঙৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ধুবুৰী চহৰৰ বিভিন্ন অঞ্চলত অভিযান চলায়।

০০০০

দক্ষিণ এছিয় শৰীৰ চৰ্চা প্ৰতিযোগিতাৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ ৰিংকু দাসে ৰূপৰ পদক অৰ্জন কৰিছে। ভূটানৰ থিম্পুত অনুষ্ঠিত এই প্ৰতিযোগিতাত অসমৰ খেলুৱৈগৰাকীয়ে দেশক প্ৰতিনিধিত্ব কৰি গৌৰৱ কঢ়িয়াই আনে।

০০০০

সমাপ্ত